रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRAORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 21 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 17**

নং ২১ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ১৭

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯ (২০০৯ ৰ ৩৫)

১৯ জুন, ২০১২ তাৰিখে যথাবিদ্যমান

# শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

## (২০০৯ ৰ সংখ্যা ৩৫)

ধাৰাসমূহ | পৃষ্ঠা

অধ্যায়-১

প্ৰাৰম্ভিক


১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ ১

২। পৰিভাষা ১


অধ্যায় - ২

মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ


৩। শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ আধিকাৰ ৩

৪। প্ৰাথমিক শিক্ষাত নামভৰ্ত্তি নকৰা বা সম্পূৰ্ণ নকৰা শিশুৰ বাবে বিশেষ উপবন্ধাৱলী ৪

৫। অন্য বিদ্যালয়লৈ অন্তৰিত হোৱাৰ অধিকাৰ ৪


অধ্যায় - ৩

সমুচিত চৰকাৰ, স্থানীয় প্ৰাধিকাৰী আৰু পিতৃ-মাতৃৰ কৰ্ত্তব্য


৬। সমুচিত চৰকাৰ আৰু স্থানীয় প্ৰাধিকাৰীৰ বিদ্যালয় স্থাপন কৰাটো কৰ্ত্তব্য হ'ব ৪

৭। বিত্তীয় আৰু অন্য দায়িত্বসমূহত অংশ গ্ৰহণ কৰা ৪

৮। সমুচিত চৰকাৰৰ কৰ্ত্তব্য ৫

৯। স্থানীয় প্ৰাধিকাৰীৰ কৰ্ত্তব্য ৬

১০। পিতৃ-মাতৃ আৰু অভিভাৱকৰ কৰ্ত্তব্য ৬

১১। সমুচিত চৰকাৰে প্ৰাক বিদ্যালয় শিক্ষাৰ বাবে উপবন্ধ কৰিব ৭


অধ্যায় - ৪

বিদ্যালয় আৰু শিক্ষকসকলৰ দায়িত্ব


১২। মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ বাবে বিদ্যালয়ৰ দায়িত্বৰ বিস্তাৰ ৭

১৩। নামভৰ্ত্তিৰকৰণৰ বাবে কোনো জনমুৰী মাচুল আৰু প্ৰচ্ছাদন ৮

১৪। নামভৰ্ত্তিকৰণৰ বাবে বয়সৰ প্ৰমাণ ৮

১৫। নামভৰ্ত্তিকৰণৰ অনস্বীকাৰ ৮

১৬। আটকাই ৰখা আৰু বহিঃস্কাৰকৰণৰ নিষেধ ৮

১৭। শিশুক শাৰিৰীক শাস্তি আৰু মানসিক হাৰাশাস্তিৰ নিষেধ ৮

১৮। স্বীকৃতিৰ প্ৰমানপত্ৰৰ প্ৰাপ্তিৰ অবিহনে কোনো বিদ্যালয় স্থাপিত কৰা নহ'ব ৮

১৯। বিদ্যালয়ৰ নীতি-নিয়ম আৰু মানদণ্ড ৯
২০। অনুসূচী সংশোধন কৰাৰ ক্ষমতা ৯
২১। বিদ্যালয় ব্যৱস্থাপন সমিতি ৯
২২। বিদ্যালয় উন্নয়ন পৰিকল্পনা ১০
২৩। নিযুক্তিৰ বাবে অৰ্হতা আৰু শিক্ষকৰ সেৱাৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী ১০
২৪। শিক্ষকৰ কৰ্ত্তব্য আৰু আপত্তিৰ প্ৰতিকাৰ ১১
২৫। ছাত্ৰ আৰু শিক্ষকৰ অনুপাত ১১
২৬। শিক্ষকৰ পদৰিক্তি পূৰণ ১১
২৭। অ-শিক্ষামূলক প্ৰয়োজনৰ বাবে শিক্ষকৰ অভিনিযুক্তিৰ নিষেধ ১১
২৮। শিক্ষকৰ দ্বাৰা ব্যক্তিগত অধ্যাপনৰ নিষেধ ১১

অধ্যায় - ৫

প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম আৰু সম্পূৰ্ণকৰণ

২৯। পাঠ্যক্ৰম আৰু মূল্যাংকন প্ৰক্ৰিয়া ১২
৩০। পৰীক্ষা আৰু সম্পূৰ্ণকৰণৰ প্ৰমান পত্ৰ ১২

অধ্যায় - ৬

শিশুৰ অধিকাৰৰ সংৰক্ষণ

৩১। শিশুৰ শিক্ষাৰ অধিকাৰৰ নিৰীক্ষণ ১২
৩২। আপত্তিৰ প্ৰতিকাৰ ১৩
৩৩। ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ গঠন ১৩
৩৪। ৰাজ্যিক উপদেষ্টা পৰিষদৰ গঠন ১৩

অধ্যায় - ৭

বিবিধ

৩৫। নিৰ্দ্দেশনা জাৰী কৰাৰ ক্ষমতা ১৪
৩৬। অভিযোজনৰ বাবে পূৰ্ব্ব সংমোদন ১৪
৩৭। সজ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সংৰক্ষণ ১৪
৩৮। সমূচিত চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা ১৪
৩৯। কেন্দ্ৰীয় চৰকাৰৰ জটিলতা দূৰীকৰণৰ ক্ষমতা ১৬
অনুসূচী—

# শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

## (২০০৯ ৰ সংখ্যা ৩৫)

[২০০৯ ৰ ২৬ আগষ্ট ]

ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুলৈ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ বাবে উপবন্ধিত কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক, ভাৰত গণৰাজ্যৰ ষাঠিতম্ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

### অধ্যায় - ১

### প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯ নামেৰে অভিহিত হ'ব।

(২) ই, জন্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে সমগ্ৰ ভাৰতবৰ্ষলৈ বিস্তাৰিত হ'ব।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰাৰ দৰে এনে তাৰিখত বলবৎ হ'ব।

[১][(৪) সংবিধানৰ অনুচ্ছেদ ২৯ আৰু ৩০ৰ উপবন্ধাৱলীৰ সাপেক্ষে এই অধিনিয়মৰ উপবন্ধাৱলী, শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰৰ প্ৰদত্তলৈ প্ৰযোজ্য হ'ব।

(৫) এই অধিনিয়মত থকা কোনো কথাই, প্ৰাথমিকভাৱে ধাৰ্ম্মিক শিক্ষা দিয়া মাদ্ৰাছা, বৈদিক পাঠশালা আৰু শৈক্ষিক সংস্থালৈ প্ৰযোজ্য নহ'ব।

*পৰিভাষা*

২। এই অধিনিয়মত প্ৰসংগত অন্যথা অপেক্ষিত নহ'লে,—

(ক) "সমুচিত চৰকাৰ" মানে—

(i) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপিত, মালিকীস্বত্ব থকা বা নিয়ন্ত্ৰিত কোনো বিদ্যালয়ৰ বা বিধান মণ্ডল নথকা সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসকৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰ;

(ii) উপখণ্ড (i)ত নিৰ্দ্দেশিত বিদ্যালয়ৰ ব্যতিৰেকে,

(ক) এখন ৰাজ্যৰ, ৰাজ্যক্ষেত্ৰৰ ভিতৰত স্থাপিত এখন বিদ্যালয়ৰ সম্পৰ্কত, ৰাজ্য চৰকাৰ;

(খ) বিধান মণ্ডল থকা এখন সংঘ ৰাজ্যক্ষেত্ৰৰ সম্পৰ্কত, সেই সংঘ ৰাজ্যক্ষেত্ৰৰ চৰকাৰ;

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।*

## শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

(গ) "জনমুৰি মাচুল" মানে বিদ্যালয়ৰ দ্বাৰা অধিসূচিত মাচুলৰ ব্যতিৰেকে যিকোনো প্ৰকাৰৰ দান বা বৰঙণি বা আদায়;

(ঘ) "শিশু" মানে ছয় ৰ পৰা চৈধ্য বছৰ বয়সৰ বালক বা বালিকা;

(ঙ) "অনুন্নত শ্ৰেণীৰ শিশু" মানে সমুচিত চৰকাৰে, অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ভৌগোলিক, ভাষিক, লিংগ বা এনে আন কাৰণ হেতুক অৱজ্ঞাসূচিত হোৱা কোনো শ্ৰেণী অনুসূচিত জাতি, অনুসূচিত জনজাতি, সামাজিক আৰু শৈক্ষিক ভাৱে পিচপৰা শ্ৰেণীৰ অন্তৰ্গত [1][কোনো অক্ষম শিশু বা] শিশু;

(চ) "দুৰ্বল শ্ৰেণীৰ শিশু" মানে এনে পিতৃ-মাতৃ বা অভিভাৱকৰ এটা শিশু, যাৰ বাৰ্ষিক আয়, সমুচিত চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা সৰ্বনিম্ন সীমাতকৈ কম কয়;

[1][(ঙ ঙ) অক্ষম শিশুৱে,—

১৯৯৬ ৰ ১ (ক) অক্ষম ব্যক্তিৰ (সম-সুবিধা, অধিকাৰৰ সংৰক্ষণ আৰু পূৰ্ণ অংশ গ্ৰহণ) অধিনিয়ম, ১৯৯৫ ৰ ধাৰা ২ৰ খণ্ড (ঝ) ত পৰিভাষিত হোৱা এটা "অক্ষম" শিশুক অন্তৰ্ভুক্ত কৰে;

১৯৯৯ ৰ ৪৪ (খ) অটিজিম, চেৰিব্ৰেল পালচি, মানসিক ভাৱে বাধাগ্ৰস্ত আৰু একাধিক অক্ষমতাৰ ব্যক্তিৰ কল্যাণৰ বাবে ৰাষ্ট্ৰীয় ন্যাস অধিনিয়ম, ১৯৯৯ ৰ ধাৰা ২ ৰ খণ্ড (ঝ) ত পৰিভাষিত দৰে অক্ষম ব্যক্তি হোৱা এটা শিশুক অন্তৰ্ভুক্ত কৰে;

১৯৯৯ ৰ ৪৪ (গ) অটিজিম, চেৰিব্ৰেল পালচি মানসিক ভাৱে বাধাগ্ৰস্ত আৰু একাধিক অক্ষমতাৰ ব্যক্তিৰ কল্যাণৰ বাবে ৰাষ্ট্ৰীয় ন্যাস অধিনিয়ম, ১৯৯৯ ৰ ধাৰা ২ৰ খণ্ড(ণ)ত পৰিভাষিত দৰে "গুৰুতৰভাৱে অক্ষম" এটা শিশুক অন্তৰ্ভুক্ত কৰে ।]

(ঘ) "প্ৰাথমিক শিক্ষা" মানে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ শিক্ষা;

(ঙ) এটা শিশুৰ সম্পৰ্কত "অভিভাৱক" মানে সেই শিশুৰ ৰক্ষণাবেক্ষণ আৰু অভিৰক্ষা থকা এজন ব্যক্তি আৰু ই, এখন ন্যায়ালয় বা এটা পৰিনিয়মৰ দ্বাৰা নিয়োজিত বা ঘোষিত এজন নৈসৰ্গিক অভিভাৱক বা এজন অভিভাৱকৰ অন্তৰ্ভুক্ত কৰে;

(চ) "স্থানীয় প্ৰাধিকাৰী" মানে পৌৰনিগম বা পৌৰ পৰিষদ বা জিলা পৰিষদ বা নগৰ পঞ্চায়ত বা পঞ্চায়ত যি নামেৰেই কোৱা হওঁক আৰু ই, বিদ্যালয়ৰ ওপৰত প্ৰশাসনিক নিয়ন্ত্ৰণ থকা বা যিকোনো চহৰ, নগৰ বা গাওঁত এটা স্থানীয় প্ৰাধিকাৰী হিচাপে কাৰ্য্য কৰিবলৈ সম্প্ৰতি বলৱৎ যিকোনো বিধিৰ দ্বাৰা বা অধীনত ক্ষমতাৰ্পিত এনে আন প্ৰাধিকাৰী বা নিকায়ক অন্তৰ্ভুক্ত কৰে;

২০০৬ ৰ ৪ (ছ) "ৰাষ্ট্ৰীয় শিশু অধিকাৰ সংৰক্ষণ আয়োগ" মানে শিশুৰ অধিকাৰ সংৰক্ষণৰ আয়োগ অধিনিয়ম, ২০০৫ ৰ ধাৰা ৩ ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় শিশু অধিকাৰৰ সংৰক্ষণ আয়োগ অধিনিয়ম;

(জ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা;

(ঝ) "পিতৃ-মাতৃ" মানে এটা শিশুৰ হয় প্ৰকৃত বা সতীয়া বা পোষ্য পিতৃ বা মাতৃ;

(ঞ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা নিয়মাৱলীৰ দ্বাৰা বিহিত;

(ট) "অনুসূচী" মানে এই অধিনিয়মত সংযুক্ত অনুসূচী;

(ঠ) "বিদ্যালয়" মানে প্ৰাথমিক শিক্ষা দিয়া কোনো স্বীকৃতিপ্ৰাপ্ত বিদ্যালয় আৰু ই —

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।*

(i) সমুচিত চৰকাৰ বা এটা স্থানীয় প্ৰাধিকাৰৰ দ্বাৰা স্থাপিত মালিকানাধীন বা নিয়ন্ত্ৰিত এখন বিদ্যালয়;

(ii) সমুচিত চৰকাৰ বা এটা স্থানীয় প্ৰাধিকাৰীৰ পৰা ইয়াৰ ব্যয়ৰ সম্পূৰ্ণ বা অংশ পূৰণ কৰিবলৈ সাহাৰ্য্য বা অনুদান গ্ৰহণ কৰা এখন সাহাৰ্য্যপ্ৰাপ্ত বিদ্যালয়;

(iii) এটা বিনিৰ্দ্দিষ্ট শ্ৰেণীৰ এখন বিদ্যালয়; আৰু

(iv) সমুচিত চৰকাৰ বা স্থানীয় প্ৰাধিকাৰৰ পৰা ইয়াৰ খৰচ পূৰণ কৰিবলৈ কোনো প্ৰকাৰৰ সাহাৰ্য্য বা অনুদান প্ৰাপ্ত নকৰা এখন অ-সাহাৰ্য্য প্ৰাপ্ত বিদ্যালয়ক অন্তৰ্ভুক্ত কৰে;

(ড) "প্ৰচ্ছাদন প্ৰক্ৰিয়া" মানে এটা কাৰ্য্য পন্থাহীন পদ্ধতিৰ ব্যতিৰেকে আন এজনৰ ওপৰত অগ্ৰাধিকাৰ দি এটা শিশুৰ নামভৰ্ত্তিকৰণৰ বাবে বাছনিৰ পদ্ধতি;

(ঢ) এখন বিদ্যালয়ৰ সম্পৰ্কত "বিনিৰ্দ্দিষ্ট শ্ৰেণী" মানে কেন্দ্ৰীয় বিদ্যালয়, নবোদয় বিদ্যালয়, সৈনিক বিদ্যালয় ৰূপে জনজাত বা এটা সুস্পষ্ট চৰিত্ৰৰ কোনো আন বিদ্যালয় যাক সমুচিত চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰে;

*২০০৬ ৰ ৪*

(ণ) "ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ" মানে শিশু অধিকাৰ সংৰক্ষণ আয়োগ অধিনিয়ম ২০০৫ ৰ ধাৰা ৩ৰ অধীনত গঠিত ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ।

## অধ্যায় - ২

## মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ

*শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ।*

৩। [১](১) [ধাৰা ২ৰ খণ্ড (ঘ) বা খণ্ড (ঙ)ত নিৰ্দ্দেশিত এটা শিশুক অন্তৰ্ভুক্ত কৰি ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ প্ৰত্যেৰ শিশুৰ, তেওঁ বা তাইৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে এখন নিকটৱৰ্ত্তী বিদ্যালয়ত মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ থাকিব।]

(২) উপধাৰা(১)ৰ প্ৰয়োজনাৰ্থে কোনো শিশু কোনো প্ৰকাৰৰ মাচুল বা মূল্য বা খৰচ আদায় দিবলৈ দায়ী নহ'ব যিটোৱে তেওঁ বা তাইক প্ৰাথমিক শিক্ষা পাবলৈ চেষ্টা কৰা বা সম্পূৰ্ণ কৰাত বাধা দিয়ে ;

[২][ X X X X X X

[৩][(৩) ধাৰা ২ৰ খণ্ড (ঙ ঙ) ৰ উপ-খণ্ড(ক)ত নিৰ্দ্দেশিত এটা অক্ষম শিশুৰ, অক্ষম ব্যক্তিৰ (সম-সুবিধা, অধিকাৰৰ সংৰক্ষণ আৰু পূৰ্ণ অংশগ্ৰহণ) অধিনিয়ম, ১৯৯৫ৰ উপবন্ধাৱলীৰ প্ৰতিকুল নোহোৱাকৈ আৰু ধাৰা ২ৰ খণ্ড ১৯৯৬ৰ ১ (ঙ ঙ) ৰ উপ-খণ্ড (খ) আৰু (গ)ত নিৰ্দ্দেশিত এটা শিশুৰ, অক্ষম ব্যক্তিৰ (সম-সুবিধা অধিকাৰৰ সংৰক্ষণ আৰু পূৰ্ণ অংশগ্ৰহণ) অধিনিয়ম, ১৯৯৫ ৰ অধ্যায় ৫ৰ উপৰন্ধাৱলীৰ অধীনত অক্ষম শিশুসকলৰ থকাৰ দৰে মুক্ত আৰু বাধ্যতামূলক প্ৰথমিক শিক্ষা গ্ৰহণ কৰাৰ একে অধিকাৰ থাকিবঃ

পৰন্তু অটিজিম চেৰিব্ৰেল পালচি মানসিকভাৱে বাধাগ্ৰস্ত আৰু একাধিক অক্ষমতাৰ ব্যক্তিৰ

*১৯৯৯ৰ ৪৪*

কল্যাণৰ বাবে ৰাষ্ট্ৰীয় ন্যাস অধিনিয়ম, ১৯৯৯ৰ ধাৰা ২ৰ খণ্ড (জ) ত নিৰ্দ্দেশিত "একাধিক অক্ষমতাৰ" এটা শিশু আৰু খণ্ড (ণ)ত নিৰ্দ্দেশিত "গুৰুতৰ অক্ষমতাৰ" এটা শিশুৰো গৃহস্থিত শিক্ষাৰ নিৰ্বাচন কৰাৰ অধিকাৰ থাকিব। ]

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ ৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিস্থাপিত।*

২। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ ৰ ধাৰা ৪ৰ দ্বাৰা লোপ কৰা হৈছে।*

৩। *একে অধিনিয়মৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত।*

**শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯**

*প্ৰাথমিক শিক্ষাত নামভৰ্ত্তি নকৰা বা সম্পূৰ্ণ নকৰা শিশুৰ বাবে বিশেষ উপ-বন্ধাৱলী।*

৪। য'ত ছয় বছৰ বয়সৰ ওপৰৰ এটা শিশুক কোনো বিদ্যালয়ত নামভৰ্ত্তি কৰোৱা হোৱা নাই বা যদি নামভৰ্ত্তি কৰা হৈছেওঁ, তেওঁ বা তাই প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব পৰা নাই তেতিয়া, তেওঁ বা তাইক, তেওঁ বা তাইৰ সমুচিত বয়সত এটা শ্ৰেণীত নামভৰ্ত্তি কৰা হ'ব ঃ

পৰন্তু য'ত এটা শিশুক তেওঁ বা তাইৰ সমুচিত বয়সত এটা শ্ৰেণীত প্ৰত্যক্ষভাৱে নামভৰ্ত্তি কৰা হয়, তেতিয়া তেওঁ বা তাই অন্যৰ সৈতে সমমূল্যৰ হবলৈ বিহিত কৰা দৰে এনে ৰীতিত আৰু এনেসময় সীমাৰ ভিতৰত বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত কৰিবলৈ এটা অধিকাৰ থাকিব ঃ

উপৰন্তু প্ৰাথমিক শিক্ষাত এনেদৰে ভৰ্ত্তি কৰা এটা শিশুৱে চৈধ্য বছৰ বয়সৰ পিছতো প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণ নকৰালৈকে মুক্ত শিক্ষালৈ হকদাৰ হ'ব।

*অন্য বিদ্যালয়লৈ অন্তৰিত হোৱাৰ অধিকাৰ।*

৫। (১) য'ত এখন বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণৰ বাবে কোনো ব্যৱস্থা নাথাকে, এজন শিশুৰ, তেওঁৰ বা তাইৰ প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণৰ বাবে ধাৰা ২ৰ খণ্ড (ঠ)ৰ উপখণ্ড (iii) আৰু (iv) ত বিনিৰ্দ্দিষ্ট কৰা বিদ্যালয়ক বাদ দি অন্য যিকোনো বিদ্যালয়লৈ অন্তৰণ বিচাৰিবলৈ এটা অধিকাৰ থাকিব।

(২) য'ত এটা শিশুৱে, যিকোনো কাৰণতেই বাবেই নহওঁক কিয় এখন ৰাজ্যৰ হয় ভিতৰত বা বাহিৰত এখন বিদ্যালয়ৰ পৰা এন্য এখনলৈ যাবলৈ অপেক্ষিত হয়, এনে শিশুৰ, তেওঁ বা তাইৰ প্ৰাথমিক শিক্ষা সম্পূৰ্ণকৰণৰ বাবে ধাৰা ২ৰ খণ্ড (ঠ)ৰ উপখণ্ড (iii) আৰু (iv)ত বিনিৰ্দ্দিষ্ট কৰা বিদ্যালয়ক বাদ দি অন্য যিকোনো বিদ্যালয়লৈ অন্তৰণৰ বিচাৰিবলৈ অধিকাৰ থাকিব।

(৩) এনে অন্য বিদ্যালয়ত নামভৰ্ত্তিকৰণ বিচাৰিবৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক বা ভাৰপ্ৰাপ্ত জনে য'ত এনে শিশুক ইতিপূৰ্বে নামভৰ্ত্তি কৰা হৈছিল, শীঘ্ৰে অন্তৰণৰ প্ৰমাণপত্ৰ জাৰী কৰিব ঃ

পৰন্তু অন্তৰণৰ প্ৰমাণপত্ৰ দাখিলকৰণৰ বিলম্বনতো, এনে অন্য বিদ্যালয়ত নামভৰ্ত্তিকৰণত বিলম্ব বা অস্বীকাৰকৰণৰ এটা কাৰণ ন'হ'ব ঃ

উপৰন্তু অন্তৰণ প্ৰমাণপত্ৰৰ জাৰীকৰণৰ বিলম্বন কৰা বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাৰপ্ৰাপ্ত জন, তেওঁ বা তাইলৈ প্ৰযোজ্য হোৱা সেৱা নিয়মাৱলী অধীনত অনুশাসনমূলক কাৰ্য্যৰ ব্যৱস্থাৰ বাবে দায়ী হ'ব।

## অধ্যায় - ৩

## সমুচিত চৰকাৰ, স্থানীয় প্ৰাধিকাৰী আৰু পিতৃ-মাতৃৰ কৰ্ত্তব্য

*সমুচিত চৰকাৰ আৰু স্থানীয় প্ৰাধিকাৰীৰ বিদ্যালয় স্থাপন কৰাটো কৰ্ত্তব্য হ'ব।*

৬। এই অধিনিয়মৰ উপৰন্ধাৱলী কাৰ্য্যন্বিত কৰাৰ বাবে এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা তিনিবছৰ এটা কালৰ ভিতৰত সমুচিত চৰকাৰে আৰু স্থানীয় প্ৰাধিকাৰীয়ে বিহিত কৰাৰ দৰে ওচৰ চুবুৰীয়াৰ এনে এলেকা বা পৰিসীমাৰ ভিতৰত এখন বিদ্যালয় স্থাপন কৰিব য'ত ই এনেদৰে স্থাপিত হোৱা নাই।

*বিত্তীয় আৰু অন্য দায়িত্বসমূহৰ অংশগ্ৰহণ।*

৭। (১) এই অধিনিয়মৰ উপবন্ধসমূহৰ কাৰ্য্যন্বিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ, নিধি উপবন্ধকৰণৰ বাবে সমৱৰ্ত্তী দায়িত্ব থাকিব।

(২) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ প্ৰয়োগৰ বাবে মূলধন আৰু পুনৰ আৱৰ্ত্তক খৰচৰ প্ৰাক্কলন প্ৰস্তুত কৰিব।

(৩) কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শ কৰি সময়ে সময়ে ই নিৰ্দ্ধাৰণ কৰাৰ দৰে উপধাৰা (২)ত নিৰ্দ্দেশিত খৰচৰ এনে শতাংশ ৰাজহৰ অনুদান হিচাপে ৰাজ্য চৰকাৰলৈ যোগান কৰিব।

(৪) কেন্দ্ৰীয় চৰকাৰে, কোনো ৰাজ্য চৰকাৰলৈ উপবন্ধ কৰিবলগীয়া অতিৰিক্ত সাধনোপায়ৰ বাবে আৱশ্যকতা পৰীক্ষা কৰিবলৈ অনুচ্ছেদ ২৮০ ৰ খণ্ড (৩)ৰ উপ-খণ্ড (ঘ)ৰ অধীনত বিত্ত আয়োগলৈ এটা প্ৰসংগ নিৰ্দ্দেশ দিবলৈ ৰাষ্ট্ৰপতিক এটা অনুৰোধ কৰিব পাৰে যাতে উক্ত ৰাজ্য চৰকাৰে, এই অধিনিয়মৰ উপৱন্ধসমূহক কাৰ্য্যন্বিত কৰাৰ বাবে ইয়াৰ নিধিৰ অংশ উপবন্ধিত কৰিব পাৰে।

(৫) উপ-ধাৰা (৪)ত কোনো কথা থকা স্বত্বেওঁ, উপধাৰা (৩)ৰ অধীনত এখন ৰাজ্য চৰকাৰলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উপবন্ধিত ধনৰাশি আৰু ইয়াৰ আন সাধনোপায়ক বিবেচনা কৰাত, ৰাজ্য চৰকাৰ, এই অধিনিয়মৰ উপৱন্ধাৱলীৰ প্ৰয়োগৰ বাবে নিধি উপবন্ধ কৰিবলৈ দায়িত্বশীল হ'ব।

(৬) কেন্দ্ৰীয় চৰকাৰে—

(ক) ধাৰা ২৯ৰ অধীনত বিনিৰ্দ্দিষ্ট কৰা শৈক্ষিক প্ৰাধিকাৰীৰ সহায়ত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ এটা মূলনীতিৰ বিকাশ কৰিব;

(খ) শিক্ষকসকলৰ প্ৰশিক্ষনৰ বাবে মানদণ্ডৰ বিকাশ আৰু বলবৎ কৰিব;

(গ) নৱ প্ৰৱৰ্ত্তন, গৱেষণা, পৰিকল্পনা আৰু সামৰ্থ নিৰ্ম্মাণৰ উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰলৈ কাৰিকৰী সহায়তা আৰু সাধনোপায় উপবন্ধিত কৰিব।

*সমুচিত চৰকাৰৰ কৰ্ত্তব্য।*

৮। সমুচিত চৰকাৰে—

(ক) প্ৰত্যেক শিশুলৈ মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা উপবন্ধিত কৰিব ঃ

পৰন্তু য'ত এটা শিশুক, সমুচিত চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা স্থাপিত, মালিকীস্বত্ব থকা, নিয়ন্ত্ৰিত কৰা বা প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপবন্ধিত নিধিৰ দ্বাৰা পৰ্য্যাপ্তৰূপে পোষিত কৰা এখন বিদ্যালয়ৰ এজন অভিভাৱকৰ দ্বাৰা ব্যতিৰেকে এখন বিদ্যালয়ত তেওঁ বা তাইৰ পিতৃ-মাতৃ বা যথাস্থিতি নামভৰ্ত্তি কৰা হয়, এনে শিশু বা তেওঁ বা তাইৰ পিতৃ-মাতৃ বা যথাস্থিতি অভিভাৱকজন, এনে আন বিদ্যালয়ত শিশুৰ প্ৰাথমিক শিক্ষাত হোৱা খৰচৰ পৰিশোধৰ বাবে এটা দাবী কৰিবলৈ হক্‌দাৰ নহ'ব।

স্পষ্টীকৰণ—শব্দ "বাধ্যতামূলক শিক্ষা" মানে—

(i) ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ প্ৰত্যেক শিশুক মুক্ত প্ৰাথমিক শিক্ষা উপবন্ধিত কৰাটো; আৰু

(ii) ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ প্ৰত্যেক শিশুৰ বাধ্যতামূলক নামভৰ্ত্তিকৰণ, উপস্থিতি আৰু প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণক সুনিশ্চিত কৰাটো সমুচিত চৰকাৰৰ দায়িত্ব;

(খ) ধাৰা ৬ত বিনিৰ্দ্দিষ্ট দৰে এখন নিকটৱৰ্ত্তী বিদ্যালয়ৰ সহজলভ্যতা সুনিশ্চিত কৰিব;

(গ) এটা দুৰ্বল শ্ৰেণীৰ শিশু আৰু এটা অনুন্নত শ্ৰেণীৰ শিশুৱে যাতে কোনো কাৰণতেই প্ৰাথমিক শিক্ষা পাবলৈ চেষ্টা কৰা আৰু সম্পূৰ্ণকৰণত পক্ষপাতিত্ব আৰু বাধা নাপায় তাৰ বিপৰীতে প্ৰভেদ কৰা নহয় আৰু যিকোনো কাৰণৰ তাক সুনিশ্চিত কৰিব।

(ঘ) বিদ্যালয় ভৱন, শিক্ষক মণ্ডলী আৰু শিক্ষাৰ সজুলি অন্তৰ্ভুক্ত কৰি আন্তঃগাঠনি উপৱন্ধিত কৰিব;

(ঙ) ধাৰা ৪ত বিনিৰ্দ্দিষ্ট কৰা বিশেষ প্ৰশিক্ষণ সুবিধা উপবন্ধিত কৰিব;

(চ) প্ৰত্যেক শিশুৰ প্ৰাথমিক শিক্ষাত নামভৰ্ত্তিকৰণ, উপস্থিতি আৰু সম্পূৰ্ণকৰণক সুনিশ্চিত আৰু নিৰীক্ষণ কৰিব;

(ছ) অনুসূচীত, বিনিৰ্দ্দিষ্ট কৰা মানদণ্ড আৰু নীতি-নিয়মৰ সুসংগত সজ গুণৰ প্ৰাথমিক শিক্ষা সুনিশ্চিত কৰিব;

(জ) প্ৰাথমিক শিক্ষাৰ বাবে অধ্যয়নৰ পাঠ্যক্ৰম আৰু নিৰ্দ্ধাৰিত পাঠ্য সময়ানুযায়ী বিহিত কৰাৰ সুনিশ্চিত কৰিব; আৰু

(ঝ) শিক্ষাৰ বাবে প্ৰশিক্ষণৰ সুবিধা উপবন্ধিত কৰিব।

*স্থানীয় প্ৰাধিকাৰীৰ কৰ্ত্তব্য।*

৯। প্ৰত্যেক স্থানীয় প্ৰাধিকাৰীয়ে—

(ক) প্ৰত্যেক শিশুক মুক্ত আৰু প্ৰাথমিক শিক্ষা উপবন্ধিত কৰিব ঃ

পৰন্তু য'ত এটা শিশুক সমূচিত চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা স্থাপিত, মালিকীস্বত্ব থকা, নিয়ন্ত্ৰিত কৰা বা প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপবন্ধিত নিধিৰ দ্বাৰা পৰ্য্যাপ্তৰূপে বিত্তপোষিত কৰা এখন বিদ্যালয়ৰ ব্যতিৰেকে এখন বিদ্যালয়ত নামভৰ্ত্তি কৰা হয়, এনে শিশু বা তেওঁ বা তাইৰ পিতৃ-মাতৃ বা যথাস্থিতি অভিভাৱকজন এনে আন বিদ্যালয়ত শিশুৰ প্ৰাথমিক শিক্ষাত হোৱা খৰচৰ পৰিশোধৰ বাবে দাবী এটা কৰিবলৈ হক্‌দাৰ নহ'ব;

(খ) ধাৰা ৬ত বিনিৰ্দ্দিষ্ট দৰে এখন ওচৰ চুবুৰীয়া বিদ্যালয়ৰ সহজলভ্যতা সুনিশ্চিত কৰিব;

(গ) এটা দুৰ্বল শ্ৰেণীৰ শিশু আৰু এটা অনুন্নত শ্ৰেণীৰ শিশুৱে যাতে কোনো কাৰণতেই প্ৰাথমিক শিক্ষা পাবলৈ চেষ্টা কৰা আৰু সম্পূৰ্ণকৰণত পক্ষপাতিত্ব আৰু বাধা নাপায় তাক সুনিশ্চিত কৰিব;

(ঘ) বিহিত কৰা দৰে এনে ৰীতিত ইয়াৰ অধিকাৰিতাৰ ভিতৰত বসবাস কৰা চৈধ্য বছৰ বয়সলৈ শিশুৰ নথি ৰাখিব;

(ঙ) ইয়াৰ অধিকাৰিতাৰ ভিতৰত বসবাস কৰা প্ৰত্যেক শিশুৰ প্ৰাথমিক শিক্ষাত নামভৰ্ত্তিকৰণ, উপস্থিতি আৰু সম্পূৰ্ণকৰণৰ সুনিশ্চিত আৰু নিৰীক্ষণ কৰিব;

(চ) বিদ্যালয় ভৱন, শিক্ষক মণ্ডলী আৰু শিক্ষাৰ আহিলা অন্তৰ্ভুক্ত কৰি আন্তঃগাঠনি উপবন্ধিত কৰিব;

(ছ) ধাৰা ৪ত বিনিৰ্দ্দিষ্ট কৰা বিশেষ প্ৰশিক্ষণৰ সুবিধা উপন্ধিত কৰিব;

(জ) অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা মানদণ্ড আৰু নীতি-নিয়মৰ সুসংগত সজগুণৰ প্ৰাথমিক শিক্ষা গুণ সুনিশ্চিত কৰিব;

(ঝ) প্ৰাথমিক শিক্ষাৰ বাবে অধ্যয়নৰ পাঠ্যক্ৰম আৰু পাঠ্য নিৰ্দ্ধাৰিত সময়ানুযায়ী বিহিত কৰাৰ সুনিশ্চিত কৰিব;

(ঞ) শিক্ষকৰ বাবে প্ৰশিক্ষণৰ সুবিধা উপবন্ধিত কৰিব;

(ট) প্ৰব্ৰজনিত পৰিয়ালৰ ল'ৰা-ছোৱালীৰ নামভৰ্ত্তিকৰণ সুনিশ্চিত কৰিব;

(ঠ) ইয়াৰ অধিকাৰিতাৰ ভিতৰত থকা বিদ্যালয়ৰ কাৰ্য্যকলাপৰ নিৰীক্ষণ কৰিব; আৰু

(ড) শৈক্ষিক কেলেণ্ডাৰৰ বিনিশ্চয় কৰিব।

*পিতৃ-মাতৃ আৰু অভিভাৱকৰ কৰ্ত্তব্য।*

১০। প্ৰত্যেক পিতৃ-মাতৃ বা অভিভাৱকৰ, তেওঁ বা তাইৰ শিশুক যথাস্থিতি প্ৰতিপাল্যক নিকটৱৰ্ত্তী বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ বাবে নামভৰ্ত্তি কৰিবলৈ বা নামভৰ্ত্তি কাৰিত কৰিবলৈ কৰ্ত্তব্য হ'ব।

*সমুচিত চৰকাৰে প্ৰাক্‌বিদ্যালয় শিক্ষাৰ বাবে উপবন্ধ কৰিব।*

১১। প্ৰাথমিক শিক্ষাৰ বাবে তিনিবছৰৰ ওপৰৰ শিশুক প্ৰস্তুত কৰাৰ আৰু তেওঁলোকে ছয় বছৰ বয়স সম্পূৰ্ণ নকৰালৈকে অকণমানি শিশুৰ যত্ন আৰু সকলো শিশুৰ বাবে শিক্ষা উপবন্ধ কৰাৰ উদ্দেশ্যে সমূচিত চৰকাৰে, এনে শিশুৰ বাবে মুক্ত প্ৰাক বিদ্যালয় শিক্ষা উপবন্ধ কৰাৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে?

## অধ্যায় - ৪

## বিদ্যালয় আৰু শিক্ষকসকলৰ দায়িত্ব

*মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ বাবে বিদ্যালয়ৰ দায়িত্বৰ বিস্তাৰ।*

১২। (১) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে,—

(ক) ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (i)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ে তাত নামভৰ্ত্তি কৰা সকলো শিশুলৈ মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা উপবন্ধিত কৰিব ;

(খ) ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (ii)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ে, এনেদৰে প্ৰাপ্ত কৰা ইয়াৰ বাৰ্ষিক পুনৰ আৱৰ্ত্তক সাহাৰ্য্য বা অনুদানে এটা সৰ্বনিম্ন পঁচিশ শতাংশৰ সাপেক্ষে, ইয়াৰ বাৰ্ষিক পুনৰ আৱৰ্ত্তক খৰচ বহন কৰা ৰূপে তাত নামভৰ্ত্তি কৰা এনে আনুপাতিক শিশুলৈ মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ উপবন্ধিত কৰিব।

(গ) ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (iii)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ে, সেই শ্ৰেণীৰ আসন সংখ্যাৰ অতিকমেওঁ পচিশ শতাংশৰ বিস্তৃতিলৈ, নিকটৱৰ্ত্তীৰ দুৰ্ব্বল শ্ৰেণীৰ শিশু আৰু অনুন্নত শ্ৰেণীৰ শিশুক প্ৰথম শ্ৰেণীত নামভৰ্ত্তি কৰিব আৰু ইয়াৰ সম্পূৰ্ণকৰণলৈ মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা উপবন্ধিত কৰিব ঃ

উপৰন্তু য'ত ধাৰা ২ৰ খণ্ড (ঢ)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ে প্ৰাক্ বিদ্যালয় শিক্ষা প্ৰদান কৰে, খণ্ড (ক)ৰ পৰা (গ) লৈ উপৰন্ধাৱলী এনে প্ৰাক্ বিদ্যালয় শিক্ষাত নামভৰ্ত্তিকৰণৰ বাবে প্ৰযোজ্য হ'ব।

(২) উপধাৰা (১)ৰ খণ্ড (গ)ত বিনিৰ্দ্দিষ্ট কৰা দৰে মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা উপবন্ধিত কৰা ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (iv)ত বিনিৰ্দ্দিষ্ট কৰা বিদ্যালয়ক ৰাজ্যৰ দ্বাৰা কৰা প্ৰতিটো শিশুৰ খৰচৰ বিস্তৃতিলৈ বা শিশুৰ ওপৰত আৰোপ কৰা প্ৰকৃত ৰাশি, যিটো কম হয়, বিহিত কৰা এনে ৰীতিত, ইয়াৰ দ্বাৰা এনেদৰে খৰচৰ পৰিশোধ কৰা হ'ব ঃ

পৰন্তু ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (i)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ৰ দ্বাৰা হোৱা প্ৰতিটো শিশুৰ খৰচ এনে পৰিশোধৰ অধিক ন'হব ঃ

উপৰন্তু য'ত এনে বিদ্যালয় হয় বিনামূল্যে বা ৰেহাই হাৰত যিকোনো মাটি, ভৱন, সা-সজুলি বা অন্য সুবিধাসমূহ প্ৰাপ্ত কৰাৰ কাৰণে এটা বিনিৰ্দ্দিষ্ট সংখ্যক শিশুক মুক্ত শিক্ষা উপবন্ধিত কৰিবলৈ ইতিমধ্যে বাধ্যতাধীনত থাকে, এনে দায়িত্ব বিস্তৃতিলৈ পৰিশোধৰ বাবে এনে বিদ্যালয় হকদাৰ ন'হব।

(৩) প্ৰত্যেক বিদ্যালয়ে, সমূচিত চৰকাৰ বা যথাস্থিতি স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা অপেক্ষিত কৰা দৰে এনে তথ্য উপবন্ধিত কৰিব।

## শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

*নামভৰ্ত্তিকৰণৰ বাবে কোনো জনমুৰি মাচুল আৰু প্ৰচ্ছাদন প্ৰক্ৰিয়া নাথাকিব।*

১৩। (১) কোনো বিদ্যালয় বা ব্যক্তিয়ে, এটা শিশুক নামভৰ্ত্তি কৰোতে, কোনো জনমুৰী মাচুল সংগ্ৰহ নকৰিব আৰু শিশু বা তেওঁ বা তাইৰ পিতৃ-মাতৃ বা অভিভাৱকক প্ৰচ্ছাদন প্ৰক্ৰিয়ালৈ সাপেক্ষ নকৰিব।

(২) উপধাৰা (১)ৰ উপবন্ধাৱলীৰ উলংঘনত যদিহে, কোনো বিদ্যালয় বা ব্যক্তিয়ে,—

(ক) জনমূৰি মাচুল গ্ৰহণ কৰে, আৰোপিত জনমূৰি মাচুলৰ দহ গুণলৈ বিস্তাৰিত হ'ব পৰা এটা জৰিমনাৰে দণ্ডনীয় হ'ব;

(খ) এটা শিশুক প্ৰচ্ছাদন প্ৰক্ৰিয়ালৈ সাপেক্ষ কৰে, তেওঁ প্ৰথম উলংঘনৰ বাবে পঁচিশ হেজাৰ টকালৈ বিস্তৃত হ'ব পৰা আৰু প্ৰত্যেক অনুবৰ্ত্তী উলংঘনৰ বাবে পঞ্চাশ হেজাৰ টকাৰ জৰিমনাৰে দণ্ডনীয় হ'ব।

*নামভৰ্ত্তিকৰণৰ বাবে বয়সৰ প্ৰমাণ।*

১৪। (১) প্ৰাথমিক শিক্ষাত নামভৰ্ত্তিকৰণৰ প্ৰয়োজনাৰ্থে এটা শিশুৰ বয়স, জন্ম, মৃত্যু, আৰু উপবন্ধাৱলীৰ অনুসৰণত জাৰি কৰা জন্মৰ প্ৰমাণ পত্ৰৰ আধাৰত বিবাহ পঞ্জীয়ন অধিনিয়ম, ১৮৮৬ৰ বিহিত কৰাৰ দৰে এনে অন্য দস্তাবেজৰ আধাৰত, অৱধাৰিত কৰা হ'ব।

(২) বয়সৰ প্ৰমাণৰ অভাৱৰ বাবে এখন বিদ্যালয়ত কোনো শিশুৰ নামভৰ্ত্তিকৰণ অস্বীকাৰ কৰা নহ'ব।

*নাম ভৰ্ত্তিকৰণৰ অনস্বীকাৰ।*

১৫। এটা শিশুক, বিহিত কৰা দৰে শৈক্ষিক বৰ্ষৰ প্ৰাৰম্ভণত বা আৰু এনে বিস্তৃত কালৰ ভিতৰত এখন বিদ্যালয়ত নামভৰ্ত্তি কৰা হ'ব ঃ

পৰন্তু কোনো শিশুৰ, নামভৰ্ত্তিকৰণৰ অস্বীকাৰ কৰা ন'হব যদিহে এনে নামভৰ্ত্তিকৰণ বিস্তৃত কালৰ পিছত বিচৰা হয় ঃ

উপৰন্তু বিস্তৃত কালৰ পাছত নামভৰ্ত্তিকৰা কোনো শিশুৱে সমুচিত চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত তেওঁৰ শিক্ষা সম্পূৰ্ণ কৰিব।

*আটকাই ৰখা আৰু বহিষ্কাৰকৰণৰ নিষেধ।*

১৬। এখন বিদ্যালয়ত নামভৰ্ত্তি কৰা কোনো শিশুক প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো শ্ৰেণীত আটকাই ৰখা নহ'ব বা বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা নহ'ব।

*শিশুক শাৰিৰীক শাস্তি আৰু মানসিক হাৰাশাস্তিৰ নিষেধ।*

১৭। (১) কোনো শিশু শাৰীৰিক শাস্তি আৰু মানসিক হাৰাশাস্তিলৈ সাপেক্ষ ন'হব।

(২) যিয়ে উপধাৰা (১)ৰ উপবন্ধাৱলী উলংঘন কৰে, এনে ব্যক্তিলৈ প্ৰযোজ্য হোৱা সেৱা নিয়মাৱলীৰ অধীনত অনুশাসনমূলক কাৰ্য্যব্যৱস্থালৈ দায়ী হ'ব।

*স্বীকৃতিৰ প্ৰমাণপত্ৰ প্ৰাপ্তিৰ অবিহনে কোনো বিদ্যালয় স্থাপিত কৰা নহ'ব।*

১৮। (১) সমুচিত চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা স্থাপিত, মালিকীস্বত্ব থকা বা নিয়ন্ত্ৰিত এখন বিদ্যালয়ৰ ব্যতিৰেকে কোনো বিদ্যালয়, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পাছত বিহিত কৰা দৰে এনে প্ৰ-পত্ৰ আৰু ৰীতিত এখন আবেদন কৰি এনে প্ৰাধিকাৰীৰ পৰা স্বীকৃতিৰ এখন প্ৰমাণপত্ৰ প্ৰাপ্তিৰ অবিহনে স্থাপিত বা কাৰ্য্য কৰি কাৰ্য্যন্বিত কৰা নহ'ব।

(২) উপধাৰা (১)ৰ অধীনত বিহিত কৰা প্ৰাধিকাৰীয়ে, বিহিত কৰা দৰে, এনে প্ৰ-পত্ৰত এনে অৱধিৰ ভিতৰত, এনে ৰীতিত, আৰু এনে চৰ্ত্তাৱলীৰ সাপেক্ষে স্বীকৃতিৰ প্ৰমানপত্ৰ জাৰি কৰিব ঃ

পৰন্তু এখন বিদ্যালয়লৈ এনে কোনো স্বীকৃতি মঞ্জুৰ কৰা ন'হব যি

## শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

পৰ্য্যন্ত ই ধাৰা ১৯ৰ অধীনত বিনিৰ্দ্দিষ্ট নীতি-নিয়ম আৰু মানদণ্ড পূৰণ নকৰে।

(৩) স্বীকৃতিৰ চৰ্ত্তাৱলীৰ উলংঘনত, বিহিত প্ৰাধিকাৰীয়ে এটা লিখিত আদেশৰ দ্বাৰা স্বীকৃতি প্ৰত্যাহাৰ কৰিব ঃ

পৰন্তু এনে আদেশৰ, এখন অস্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ত অধ্যয়ন কৰা শিশুৱে কোনখন নিকটবৰ্ত্তী বিদ্যালয়ত নামভৰ্ত্তি কৰিব, সেই বিষয়ে এটা নিৰ্দ্দেশনা থাকিব ঃ

উপৰন্তু কোনো স্বীকৃতি বিহিত কৰা দৰে এনে ৰীতিত, এনে বিদ্যালয়ক, শুনানীৰ এটা সুযোগ নিদিয়াকৈ এনেদৰে প্ৰত্যাহাৰ কৰা নহ'ব।

(৪) উপধাৰা (৩)ৰ অধীনত স্বীকৃতিৰ প্ৰত্যাহাৰৰ তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ এনে কোনো বিদ্যালয়ৰ কাৰ্য্য চলি নাথাকিব।

(৫) স্বীকৃতিৰ প্ৰমাণপত্ৰ প্ৰাপ্তিৰ অবিহনে এখন বিদ্যালয় স্থাপিত কৰা বা চলোৱা বা স্বীকৃতিৰ প্ৰত্যাহাৰৰ পাছত এখন বিদ্যালয় চলাই থকা কোনো ব্যক্তি, একলাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে দায়ী হ'ব আৰু উলংঘন চলাই থকাৰ ক্ষেত্ৰত এনে উলংঘন চলাই থকাৰ সময়ত, প্ৰত্যেক দিনৰ বাবে দহ হাজাৰ টকাৰ জৰিমনাৰ বাবে দায়ী হ'ব।

*বিদ্যালয়ৰ নীতি-নিয়ম আৰু মানদণ্ড।*

১৯। (১) ধাৰা ১৮ৰ অধীনত কোনো বিদ্যালয় স্থাপিত বা স্বীকৃত নহব যি পৰ্য্যন্ত ই অনুসূচীত বিনিৰ্দ্দিষ্ট নীতি-নিয়ম আৰু মানদণ্ড পূৰণ নকৰে।

(২) য'ত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্বে স্থাপিত এখন বিদ্যালয়ে অনুসূচীত বিনিৰ্দ্দিষ্ট নীতি-নিয়ম আৰু মানদণ্ড পূৰণ নকৰে, ই ইয়াৰ নিজৰ খৰচত এনে নীতি-নিয়ম আৰু মানদণ্ড পূৰণ কৰিবলৈ, এনে প্ৰাৰম্ভণৰ তাৰিখৰ পৰা তিনিবছৰ এটা কালৰ ভিতৰত, পদক্ষেপ গ্ৰহণ কৰিব।

(৩) য'ত এখন বিদ্যালয়ে উপ-ধাৰা (২)ৰ অধীনত বিনিৰ্দ্দিষ্ট কালৰ ভিতৰত নীতি-নিয়ম আৰু মানদণ্ড পূৰণ কৰিবলৈ অসফল হয়, ধাৰা ১৮ৰ উপধাৰা (১)ৰ অধীনত বিহিত কৰা প্ৰাধিকাৰীয়ে সেই বিষয়ে উপধাৰা (৩)ৰ অধীনত বিনিৰ্দ্দিষ্ট ৰীতিত এনে বিদ্যালয়লৈ মঞ্জুৰ কৰা স্বীকৃতি প্ৰত্যাহাৰ কৰিব।

(৪) উপধাৰা (৩)ৰ অধীনত স্বীকৃতিৰ প্ৰত্যাহাৰৰ তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ এনে কোনো বিদ্যালয়ে কাৰ্য্য চলাই নাথাকিব।

(৫) স্বীকৃতিৰ প্ৰত্যাহাৰৰ পাছত এখন বিদ্যালয় চলাই থকা কোনো ব্যক্তি, এক লাখ টকালৈ বিস্তৃত হ'ব পৰা জৰিমনাৰে দায়ী হ'ব আৰু উলংঘন চলাই থকাৰ ক্ষেত্ৰত, এনে উলংঘন চলাই থকাৰ সময়ত প্ৰত্যেক দিনৰ বাবে দহ হাজাৰ টকাৰ জৰিমনাৰ বাবে দায়ী হ'ব।

*অনুসূচী সংশোধন কৰাৰ ক্ষমতা।*

২০। কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা কোনো নীতি-নিয়ম আৰু মানদণ্ড তাৰ লগত সংযোজিত কৰি বা লোপ কৰি অনুসূচী সংশোধন কৰিব পাৰে।

*বিদ্যালয় ব্যৱস্থাপন সমিতি।*

২১। (১) ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (iv)ত বিনিৰ্দ্দিষ্ট কৰা এখন বিদ্যালয়ৰ ব্যতিৰেকে এখন বিদ্যালয়ে, স্থানীয় প্ৰাধিকাৰী, এনে বিদ্যালয়ত নামভৰ্ত্তি কৰা শিশুৰ পিতৃ-মাতৃ বা অভিভাৱক আৰু শিক্ষকসকলৰ নিৰ্ব্বাচিত প্ৰতিনিধিৰে গঠিত এখন বিদ্যালয় ব্যৱস্থাপন সমিতি গঠন কৰিব ঃ

পৰন্তু এনে সমিতিৰ অতি কমেওঁ তিনি চতুৰ্থাংশ সদস্য পিতৃ-মাতৃ বা অভিভাৱক হ'ব ঃ

উপৰন্তু অনুন্নত শ্ৰেণী আৰু দুৰ্বল শ্ৰেণীৰ শিশুৰ পিতৃ-মাতৃ বা অভিভাৱকক সমানুপাতিক নিবেদন দিয়া হ'ব ঃ

অধিকন্তু এনে সমিতিৰ সদস্যসকলৰ পঞ্চাশ শতাংশ মহিলা হ'ব ।

(২) বিদ্যালয় ব্যৱস্থাপন সমিতিয়ে নিম্নলিখিত কাৰ্য্যসমূহ সম্পাদন কৰিব, অৰ্থাৎ ঃ—

(ক) বিদ্যালয়ৰ কাৰ্য্য নিৰীক্ষণ কৰিব;

(খ) বিদ্যালয় উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত আৰু অনুমোদন কৰিব;

(গ) সমুচিত চৰকাৰ বা স্থানীয় প্ৰাধিকাৰী বা অন্য যিকোনো উৎসৰ পৰা প্ৰাপ্ত মঞ্জুৰীৰ ব্যৱহাৰৰ নিৰীক্ষণ কৰিব; আৰু

(ঘ) বিহিত কৰা দৰে এনে অন্য কাৰ্য্যসমূহ সম্পাদন কৰিব ঃ

[1][পৰন্তু উপ-ধাৰা (১)ৰ অধীনত গঠিত বিদ্যালয় ব্যৱস্থাপন সমিতিয়ে,—

(ক) ধৰ্ম্মৰ ভিত্তিতেই হওঁক বা ভাষাৰ ভিত্তিতেই হওঁক, সংখ্যালঘুৰ দ্বাৰা স্থাপিত আৰু প্ৰশাসিত এখন বিদ্যালয়ৰ সম্বন্ধত; আৰু

(খ) ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপখণ্ড (iii)ত পৰিভাষিত দৰে আন সকলো সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ সম্বন্ধত,

কেৱল উপদেশমূলক কাৰ্য্য সম্পাদন কৰিব]

*বিদ্যালয় উন্নয়ন পৰিকল্পনা।*

২২। [2](১) [ ধৰ্ম্মৰ ভিত্তিতেই হওঁক বা ভাষাৰ ভিত্তিতেই হওঁক, সংখ্যালঘূৰ দ্বাৰা স্থাপিত আৰু প্ৰশাসিত এখন বিদ্যালয় আৰু ধাৰা ২ৰ খণ্ড (ঢ)ৰ উপ-খণ্ড (ii)ত পৰিভাষিত এখন সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ সম্বন্ধত বিদ্যালয় ব্যৱস্থাপন সমিতিৰ ব্যতিৰেকে ধাৰা ২১ৰ উপ-ধাৰা (১)ৰ অধীনত গঠিত বিদ্যালয় ব্যৱস্থাপন সমিতি ]য়ে বিহিত কৰা দৰে এনে ৰীতিত এখন বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব।

(২) উপ-ধাৰা (১)ৰ অধীনত এনেদৰে প্ৰস্তুত কৰা বিদ্যালয় উন্নয়নৰ পৰিকল্পনা, সমুচিত চৰকাৰ বা যথাস্থিতি স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা কৰা পৰিকল্পনা বা দিয়া অনুদানৰ আধাৰ হ'ব।

*নিযুক্তিৰ বাবে অৰ্হতা আৰু শিক্ষকৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী।*

২৩। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা প্ৰাধিকৃত কৰা এটা শৈক্ষিক প্ৰাধিকাৰীৰ দ্বাৰা দিয়া ধৰণে এনে সৰ্ব্ব ন্যূনতম অৰ্হতাসম্পন্ন কোনো ব্যক্তিয়ে এজন শিক্ষক হিচাপে নিযুক্তিৰ যোগ্য হ'ব।

(২) য'ত এখন ৰাজ্যত উপধাৰা (১)ৰ অধীনত থকা ধৰণে শিক্ষকৰ শিক্ষা বা ন্যূনতম অৰ্হতা সম্পন্ন শিক্ষকক পাঠ্যক্ৰম বা প্ৰশিক্ষণ প্ৰদান কৰা যথোপচিত সংস্থা পৰ্য্যাপ্ত সংখ্যাত সহজলভ্য নহয়, কেন্দ্ৰীয় চৰকাৰে যদি ই আৱশ্যক বুলি গণ্য কৰে, অধিসূচনাৰ দ্বাৰা, সেই অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে পাঁচ বছৰ অনধিক এনে কালৰ বাবে এজন শিক্ষক ৰূপে নিযুক্তিৰ বাবে অপেক্ষিত হোৱা ন্যূনতম অৰ্হতা শিথিল কৰিব পাৰে ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণত, উপধাৰা (১)ৰ অধীনত দিয়া ধৰণে ন্যূনতম অৰ্হতা নথকা এজন শিক্ষকে, পাঁচ বছৰ এটা কালৰ ভিতৰত নিম্নতম অৰ্হতা অৰ্জন কৰিব।

(৩) শিক্ষকক আদায় দিবলগীয়া বেতন আৰু ভাট্টা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।*

২। *এনে অধিনিয়মৰ ধাৰা ৬ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।*

## শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

*শিক্ষকৰ কৰ্ত্তব্য আৰু আপত্তিৰ প্ৰতিকাৰ।*

২৪। (১) ধাৰা ২৩ৰ উপধাৰা (১)ৰ অধীনত নিযুক্ত এজন শিক্ষকে নিম্নলিখিত কৰ্ত্তব্যসমূহ সম্পাদন কৰিব, অৰ্থাৎ ঃ—

(ক) বিদ্যালয়ৰ সৰ্ব্বনিম্ন উপস্থিতিত নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্ত্তী পালন কৰা ;

(খ) ধাৰা ২৯ৰ উপধাৰা (২)ৰ উপবন্ধাৱলীৰ অনুসৰণত পাঠ্যক্ৰম পৰিচালনা আৰু সম্পূৰ্ণ কৰিব;

(গ) বিনিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সমস্ত পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব;

(ঘ) প্ৰত্যেক শিশুৰ শিকাৰ সামৰ্থ্য নিৰূপণ কৰিব আৰু তদনুসাৰে অপেক্ষিত ধৰণে যদি কিবা থাকে অতিৰিক্ত নিৰ্দ্দেশ সম্পূৰ্ণ কৰিব;

(ঙ) পিতৃ-মাতৃ আৰু অভিভাৱকৰ সৈতে নিয়মীয়া সভা অনুষ্ঠিত কৰিব আৰু তেওঁলোকক শিশুৰ উপস্থিতিৰ নিয়মানুৱৰ্তিতা শিকাৰ সামৰ্থ্য, শিক্ষাত হোৱা অগ্ৰগতি আৰু শিশুৰ সম্পৰ্কে অন্য কোনো প্ৰাসংগিক তথ্যৰ অৱগত কৰাব; আৰু

(চ) বিহিত কৰা দৰে এনে অন্য কৰ্ত্তব্য সম্পাদন কৰিব।

(২) উপ-ধাৰা (১)ত বিনিৰ্দ্দিষ্ট কৰ্ত্তব্যসমূহৰ সম্পাদনত ক্ৰটী কৰা এজন শিক্ষক, তেওঁ বা তাইলৈ প্ৰযোজ্য হোৱা সেৱা নিয়মাৱলীৰ অধীনত, অনুশাসনমূলক ব্যৱস্থালৈ দায়ী হ'ব ঃ

পৰন্তু এনে অনুশাসনমূলক ব্যৱস্থা লোৱাৰ পূৰ্বে, এনে শিক্ষকক শুনানীৰ এটা যুক্তিসংগত সুযোগ দিয়া হ'ব।

(৩) শিক্ষকসকলৰ আপত্তিসমূহ, যদি কিবা থাকে, বিহিত কৰা দৰে এনে ৰীতিত প্ৰতিকাৰ কৰা হ'ব।

*ছাত্ৰ আৰু শিক্ষকৰ অনুপাত।*

২৫। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা [১][ তিনি বছৰৰ ভিতৰত ] সমুচিত চৰকাৰ আৰু স্থানীয় প্ৰাধিকাৰীয়ে অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা দৰে প্ৰত্যেক বিদ্যালয়ত ছাত্ৰ আৰু শিক্ষকৰ অনুপাত বজাই ৰাখিছে বুলি সুনিশ্চিত কৰিব।

(২) উপ-ধাৰা (১)ৰ অধীনত ছাত্ৰ-শিক্ষকৰ অনুপাত ৰক্ষণৰ প্ৰয়োজনাৰ্থে এখন বিদ্যালয়ত নিযুক্ত এজন শিক্ষকক, ধাৰা ২৭ত বিনিৰ্দ্দিষ্টবোৰৰ ব্যতিৰেকে কোনো শিক্ষামূলক প্ৰয়োজনাৰ্থে কোনো আন বিদ্যালয়ত বা কাৰ্য্যালয়ত সেৱা আগবঢ়াব নিদিব বা অভিনিযুক্তি নিদিব।

*শিক্ষকৰ পদৰিক্তিৰ পূৰণ।*

২৬। সমুচিত চৰকাৰ বা এটা স্থানীয় প্ৰাধিকাৰীৰ দ্বাৰা স্থাপিত, মালিকীস্বত্ব থকা, নিয়ন্ত্ৰিত বা প্ৰত্যেক বা পৰোক্ষভাৱে উপবন্ধিত নিধিৰ দ্বাৰা যথাৰ্থভাৱে বিত্ত পোষিত কৰা এখন বিদ্যালয়ৰ সম্পৰ্কত নিযুক্তি প্ৰাধিকাৰীয়ে, ইয়াৰ নিয়ন্ত্ৰণাধীনত থকা এখন বিদ্যালয়ত শিক্ষকৰ পদৰিক্তি সংমোদিত মুঠ আসন সংখ্যাৰ দহ শতাংশৰ অধিক ন'হব বুলি সুনিশ্চিত কৰিব।

*অ-শিক্ষামূলক প্ৰয়োজনৰ বাবে শিক্ষকৰ অভিনিযুক্তিৰ নিষেধ।*

২৭। দশ বাৰ্ষিক লোক পিয়ল, বিপৰ্য্যয় সহায়তা কৰ্ত্তব্য বা স্থানীয় প্ৰাধিকাৰী বা ৰাজ্যিক বিধানমণ্ডল বা যথাস্থিতি সংসদৰ নিৰ্ব্বাচনৰ সম্পৰ্কত থকা কৰ্ত্তব্যৰ ব্যতিৰেকে কোনো শিক্ষকক কোনো অ-শিক্ষামূলক প্ৰয়োজনৰ বাবে অভিনিযুক্তি দিয়া ন'হব।

*শিক্ষকৰ দ্বাৰা ব্যক্তিগত অধ্যাপনৰ নিষেধ।*

২৮। কোনো শিক্ষকে তেওঁ নিজকে বা তাইৰ কোনো ব্যক্তিগত অধ্যাপন বা ব্যক্তিগত শিক্ষা কাৰ্য্যত নিযুক্তি নকৰিব।

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ ৰ ধাৰা ৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।*

# শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

## অধ্যায় - ৫

## প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম আৰু সম্পূৰ্ণকৰণ

*পাঠ্যক্ৰম আৰু মূল্যাংকন প্ৰক্ৰিয়া।*

২৯। (১) প্ৰাথমিক শিক্ষাৰ বাবে পাঠ্যক্ৰম আৰু মূল্যাংকন প্ৰক্ৰিয়াটো, সমুচিত চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰিবলৈ এজন শৈক্ষিক প্ৰাধিকাৰীৰ দ্বাৰা উত্থাপন কৰা হ'ব।

(২) উপধাৰা (১)ৰ অধীনত শৈক্ষিক প্ৰাধিকাৰীয়ে পাঠ্যক্ৰম আৰু মূল্যাংকন প্ৰক্ৰিয়াক প্ৰণীত কৰাৰ সময়ত, নিম্নলিখিত সমূহক বিবেচনা কৰিব, অৰ্থ্যৎ ঃ—

(ক) সংবিধানত থকা মূল্যৰ সুসঙ্গতা;

(খ) শিশুৰ সৰ্বতোমুখী বিকাশ;

(গ) শিশুৰ জ্ঞান, সম্ভাব্যতা আৰু প্ৰতিভাক বিকশিত কৰা;

(ঘ) শাৰীৰিক আৰু মানসিক সামৰ্থ্যৰ পূৰ্ণতম মাত্ৰাৰ বিকাশ;

(ঙ) এটা শিশু মৈত্ৰীভাৱ আৰু শিশু কেন্দ্ৰীক ৰীতিত কাৰ্য্যকলাপ, আৱিষ্কাৰ আৰু অন্বেষনৰ মাধ্যমেৰে পোৱা শিক্ষা;

(চ) শিক্ষণৰ মাধ্যম, যিমানদূৰ প্ৰয়োগযোগ্য হয়, শিশুৰ মাতৃভাষা হ'ব;

(ছ) শিশুক, শংকা, অভিঘাত আৰু উদ্বেগৰ পৰা মুক্তি দিয়া আৰু শিশুক মুক্তভাৱে ইয়াৰ মতামত ব্যক্ত কৰিবলৈ সহায়তা কৰা;

(জ) শিশুৰ জ্ঞানৰ বোধ আৰু তেওঁৰ বা তাইৰ সেইবোৰক প্ৰয়োগ কৰাৰ সমৰ্থতাক ব্যাপক আৰু নিৰন্তৰ মূল্যাংকন কৰা।

*পৰীক্ষা আৰু সম্পূৰ্ণকৰণৰ প্ৰমাণপত্ৰ।*

৩০। (১) প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো শিশুক কোনো বোৰ্ড পৰীক্ষাত উত্তীৰ্ণ হবলৈ অপেক্ষিত কৰা নহ'ব।

(২) প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰা প্ৰত্যেক শিশুক, বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত আৰু এনে ৰীতিত এখন প্ৰমাণপত্ৰ দিয়া হ'ব।

## অধ্যায় - ৬

## শিশুৰ অধিকাৰৰ সংৰক্ষণ

*শিশুৰ শিক্ষাৰ অধিকাৰৰ নিৰীক্ষণ ২০০৬ ৰ ৪*

৩১। (১) শিশু অধিকাৰ সংৰক্ষণ আয়োগ অধিনিয়ম, ২০০৫ৰ ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সংৰক্ষণ আয়োগ বা যথাস্থিতি, ধাৰা ১৭ৰ অধীনত গঠিত ৰাজ্যিক শিশু অধিকাৰৰ সংৰক্ষণ আয়োগে সেই অধিনিয়মৰ অধীনত সেইবোৰলৈ আৰোপিত কৰা কাৰ্য্যসমূহৰ উপৰিও, নিম্নলিখিত কাৰ্য্যসমূহক সম্পাদন কৰিব, অৰ্থাৎ ঃ—

(ক) এই অধিনিয়মৰ দ্বাৰা বা অধীনত উপবন্ধিত অধিকাৰৰ বাবে ৰক্ষণ ব্যৱস্থা পৰীক্ষা আৰু পুনৰীক্ষণ কৰিব আৰু সেইবোৰৰ প্ৰভাৱী প্ৰয়োগৰ বাবে ব্যৱস্থাৰ অনুমোদন কৰিব;

(খ) শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ সম্পৰ্কিত অভিযোগৰ অনুসন্ধান কৰিব; আৰু

(গ) উক্ত শিশু অধিকাৰ সংৰক্ষণ আয়োগ অধিনিয়মৰ ধাৰা ১৫ আৰু ২৪ৰ অধীনত উপবন্ধিত কৰা দৰে আৱশ্যকীয় পদক্ষেপ ল'ব।

(২) উক্ত আয়োগৰ, উপ-ধাৰা (১)ৰ খণ্ড (গ)ৰ অধীনত শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষা সম্পৰ্কত কোনো বিষয় অনুসন্ধান কৰোতে, উক্ত শিশু অধিকাৰ সংৰক্ষণৰ আয়োগ অধিনিয়মৰ ধাৰা ১৪ আৰু ২৪ৰ অধীনত ক্ৰমাগতভাৱে সেইবোৰলৈ আৰোপিত কৰাৰ দৰে একেই ক্ষমতাসমূহ থাকিব।

(৩) য'ত এখন ৰাজ্যত, ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ গঠিত কৰা হোৱা নাই, সমুচিত চৰকাৰে উপধাৰা (১)ৰ খণ্ড (ক)ৰ পৰা (গ) লৈ উপ-ধাৰাত বিনিৰ্দ্দিষ্ট কাৰ্য্যসমূহ পালনৰ প্ৰয়োজনাৰ্থে বিহিত কৰা দৰে এনে ৰীতিত আৰু এনে নিবন্ধন আৰু এনে চৰ্ত্তাৱলীৰ সাপেক্ষে এনে প্ৰাধিকাৰী গঠন কৰিব।

*আপত্তিৰ প্ৰতিকাৰ* ৩২। (১) ধাৰা ৩১ত কোনো কথা থকা স্বত্বেওঁ, এই অধিনিয়ম অধীনত এটা শিশুৰ অধিকাৰৰ সম্পৰ্কত কোনো আপত্তি কৰা কোনো ব্যক্তিয়ে, অধিকাৰিতা থকা স্থানীয় প্ৰাধিকাৰীলৈ এটা লিখিত অভিযোগ দিব পাৰে।

(২) উপ-ধাৰা (১)ৰ অধীনত অভিযোগ প্ৰাপ্তিৰ পাছত, স্থানীয় প্ৰাধিকাৰীয়ে সংশ্লিষ্ট পক্ষসমূহক শুনানীৰ এটা যুক্তিসংগত সুবিধা দিয়া পাছত তিনিমাহৰ এটা কালৰ ভিতৰত বিষয়টোৰ বিনিশ্চয় কৰিব।

(৩) স্থানীয় প্ৰাধিকাৰীৰ বিনিশ্চয়ৰ দ্বাৰা ব্যথিত কোনো ব্যক্তিয়ে, ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণৰ আয়োগ বা যথাস্থিতি ধাৰা ৩১ৰ উপ-ধাৰা (৩)ৰ অধীনত বিহিত কৰা প্ৰাধিকাৰীলৈ আপীল কৰিব পাৰে।

(৪) উপ-ধাৰা (৩)ৰ অধীনত কৰা আপীল ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণৰ আয়োগ বা যথাস্থিতি, ধাৰা ৩১ৰ উপ-ধাৰা (১)ৰ খণ্ড (গ)ৰ অধীনত উপবন্ধিত দৰে ধাৰা ৩১ৰ উপ-ধাৰা (৩)ৰ অধীনত বিহিত প্ৰাধিকাৰীৰ দ্বাৰা বিনিশ্চিত কৰা হ'ব।

*ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ গঠন।* ৩৩। (১) কেন্দ্ৰীয় চৰকাৰে প্ৰাথমিক শিক্ষা আৰু শিশুৰ উন্নয়নৰ ক্ষেত্ৰখনত জ্ঞান আৰু ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিসকলৰ মাজৰ পৰা নিযুক্তি দিবলৈ কেন্দ্ৰীয় চৰকাৰে আৱশ্যক বিবেচনা কৰা দৰে, পোন্ধৰ জনৰ অনধিক এনে সংখ্যক সদস্যৰে গঠিত এখন ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদ গঠন কৰিব।

(২) পৰিষদৰ এটা প্ৰভাৱী ৰীতিত এই অধিনিয়মৰ উপবন্ধ প্ৰয়োগৰ ওপৰত কেন্দ্ৰীয় চৰকাৰক উপদেশ দিয়াটো ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ কাৰ্য্য হ'ব।

(৩) ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ সদস্যসকলৰ ভাট্টাসমূহ আৰু নিযুক্তিৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰাৰ দৰে এনে হ'ব।

*ৰাজ্যিক উপদেষ্টা পৰিষদৰ গঠন।* ৩৪। (১) ৰাজ্য চৰকাৰে প্ৰাথমিক শিক্ষা আৰু শিশুৰ উন্নয়ন ক্ষেত্ৰখনত জ্ঞান আৰু ব্যৱহাৰিক অভিজ্ঞতা থকা ব্যক্তিসকলৰ মাজৰ পৰা নিযুক্তি দিবলৈ ৰাজ্য চৰকাৰে আৱশ্যক বিবেচনা কৰা দৰে, পোন্ধৰ জনৰ অনধিক এনে সংখ্যক সদস্যৰে গঠিত এখন ৰাজ্যিক উপদেষ্টা পৰিষদ গঠন কৰিব।

(২) এটা প্ৰভাৱী ৰীতিত, অধিনিয়মৰ উপবন্ধসমূহৰ প্ৰয়োগৰ ওপৰত ৰাজ্য চৰকাৰক উপদেশ দিয়াটো ৰাজ্যিক উপদেষ্টা পৰিষদৰ কাৰ্য্য হ'ব।

(৩) ৰাজ্যিক উপদেষ্টা পৰিষদৰ সদস্যসকলৰ ভাট্টাসমূহ আৰু নিযুক্তিৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰাৰ দৰে এনে হ'ব।

**শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯**

**অধ্যায় - ৭**

**বিবিধ**

*নিৰ্দ্দেশনা জাৰী কৰাৰ ক্ষমতা।*

৩৫। (১) কেন্দ্ৰীয় চৰকাৰে এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰয়োগৰ প্ৰয়োজনাৰ্থে ই উচিত গণ্য কৰা দৰে সমুচিত চৰকাৰ বা যথাস্থিতি, স্থানীয় প্ৰাধিকাৰীলৈ এনে মাৰ্গদৰ্শন জাৰি কৰিব পাৰে।

(২) সমুচিত চৰকাৰে স্থানীয় প্ৰাধিকাৰী বা বিদ্যালয় ব্যৱস্থাপন সমিতিলৈ এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰয়োগৰ সম্বন্ধত এনে মাৰ্গদৰ্শন জাৰি কৰিব পাৰে আৰু এনে নিৰ্দ্দেশনা দিব পাৰে যিটো ই উচিত গণ্য কৰে।

(৩) স্থানীয় প্ৰাধিকাৰীয়ে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰয়োগৰ সম্বন্ধত বিদ্যালয় ব্যৱস্থাপন সমিতিলৈ ই উচিত গণ্য কৰা দৰে এনে মাৰ্গদৰ্শন জাৰি কৰিব পাৰে আৰু এনে নিৰ্দ্দেশনা দিব পাৰে।

*অভিযোজনাৰ বাবে পূৰ্ব্ব সংমোদন।*

৩৬। ধাৰা ১৩ৰ উপ-ধাৰা (২), ধাৰা ১৮ৰ উপধাৰা (৫) আৰু ধাৰা ১৯ৰ উপ-ধাৰা (৫)ৰ অধীনত দণ্ডনীয় হোৱা অপৰাধৰ বাবে সমুচিত চৰকাৰে অধিসূচনা দি, এই মৰ্ম্মে প্ৰাধিকৃত কৰা এজন পদাধিকাৰীৰ পূৰ্ব্ব সংমোদনসহ ব্যতিৰেকে কোনো অভিযোজন সংস্থিত কৰা ন'হ'ব।

*সজ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সংৰক্ষণ।*

৩৭। এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা আদেশৰ অনুসৰণত সজ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত হোৱা যি কোনোৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় শিশু অধিকাৰৰ সংৰক্ষণ আয়োগ, ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ, স্থানীয় প্ৰাধিকাৰী, বিদ্যালয় ব্যৱস্থাপন সমিতি বা কোনো ব্যক্তিৰ বিপক্ষে কোনো বাদ বা অন্য বিধিক কাৰ্য্যবাহী নচলিব।

*সমুচিত চৰকাৰৰ নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।*

৩৮। (১) সমুচিত চৰকাৰে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যান্বিত কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্ব্ববৰ্ত্তী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে, নিম্নলিখিত বিষয়সমূহৰ সকলোবোৰ বা যিকোনোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ৪ৰ প্ৰথম পৰন্তুকৰ অধীনত বিশেষ প্ৰশিক্ষণ দিয়াৰ ৰীতি আৰু তাৰ সময়সীমা;

(খ) ধাৰা ৬ৰ অধীনত এখন নিকটৱৰ্ত্তী বিদ্যালয় স্থাপনৰ বাবে এলেকা বা পৰিসীমা;

(গ) ধাৰা ৯ৰ খণ্ড (ঘ)ৰ অধীনত চৈধ্য বছৰ বয়সলৈকে শিশুৰ নথিৰ সংৰক্ষণৰ ৰীতি;

(ঘ) ধাৰা ১২ৰ উপ-ধাৰা (২)ৰ অধীনত খৰচৰ পৰিশোধৰ ৰীতি আৰু বিস্তাৰ;

(ঙ) ধাৰা ১৪ৰ উপ-ধাৰা (১)ৰ অধীনত শিশুৰ বয়স অৱধাৰণৰ বাবে কোনো অন্য দস্তাবেজ;

(চ) ধাৰা ১৫ৰ অধীনত নামভৰ্ত্তিকৰণৰ বাবে বিস্তৃত কাল আৰু শিক্ষাৰ সম্পূৰ্ণকৰণৰ ৰীতি যদি বিস্তৃত কালৰ পিছত নামভৰ্ত্তিকৰণ কৰা হয়;

(ছ) ধাৰা ১৮ৰ উপ-ধাৰা (১)ৰ অধীনত স্বীকৃতিৰ প্ৰমাণপত্ৰৰ বাবে আবেদন কৰা প্ৰাধিকাৰী, প্ৰ-পত্ৰ আৰু ৰীতি;

**শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯**

(জ) ধাৰা ১৮ৰ উপ-ধাৰা (২)ৰ অধীনত স্বীকৃতিৰ প্ৰমাণপত্ৰৰ জাৰীকৰণৰ বাবে প্ৰ-পত্ৰ, কাল, ৰীতি আৰু চৰ্ত্তাৱলী;

(ঝ) ধাৰা ১৮ৰ উপ-ধাৰা (৩)ৰ দ্বিতীয় পৰন্তুকৰ অধীনত শুনানীৰ সুযোগ দিয়াৰ ৰীতি;

(ঞ) ধাৰা ২১ৰ উপ-ধাৰা (২)ৰ খণ্ড (ঘ)ৰ অধীনত বিদ্যালয় ব্যৱস্থাপন সমিতিৰ দ্বাৰা সম্পাদন কৰিবলগীয়া অন্য কৃত্যসমূহ;

(ট) ধাৰা ২২ৰ উপ-ধাৰা (১)ৰ অধীনত বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুতকৰণৰ ৰীতি;

(ঠ) ধাৰা ২৩ৰ উপ-ধাৰা (৩)ৰ অধীনত শিক্ষকক আদায় দিবলগীয়া বেতন আৰু ভাট্টা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী;

(ড) ধাৰা ২৪ৰ উপ-ধাৰা (১)ৰ খণ্ড (চ)ৰ অধীনত শিক্ষকৰ দ্বাৰা সম্পাদন কৰিবলগীয়া কৰ্ত্তব্যসমূহ;

(ঢ) ধাৰা ২৪ৰ উপ-ধাৰা (৩)ৰ অধীনত শিক্ষকসকলৰ আপত্তিৰ প্ৰতিকাৰৰ ৰীতি;

(ণ) ধাৰা ৩০ৰ উপ-ধাৰা (২)ৰ অধীনত প্ৰাথমিক শিক্ষাৰ সম্পূৰ্ণকৰণৰ বাবে প্ৰমানপত্ৰৰ প্ৰদান কৰাৰ প্ৰ-পত্ৰ আৰু ৰীতি;

(ত) ধাৰা ৩১ৰ উপ-ধাৰা (১)ৰ অধীনত প্ৰাধিকাৰী, ইয়াৰ গঠনৰ ৰীতি আৰু তাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী;

(থ) ধাৰা ৩৩ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাষ্ট্ৰীয় উপদেষ্টা পৰিষদৰ সদস্যসকলৰ ভাট্টা আৰু নিযুক্তিৰ অন্য নিবন্ধন আৰু চৰ্ত্তাৱলী;

(দ) ধাৰা ৩৪ৰ উপ-ধাৰা (৩)ৰ অধীনত ৰাজ্যিক উপদেষ্টা পৰিষদৰ সদস্যসকলৰ ভাট্টা আৰু নিযুক্তিৰ অন্য নিবন্ধন আৰু চৰ্ত্তাৱলী।

(৩) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম ধাৰা ২০ আৰু ২৩ৰ অধীনত জাৰী কৰা প্ৰত্যেক অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পাছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব, যেতিয়া মুঠ ত্ৰিশ দিনৰ এটা কালৰ বাবে অধিৱেশন চলি থাকে যিটো এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে ভূক্ত হ'ব পাৰে, আৰু যদি অধিৱেশনৰ অৱসানৰ ঠিক পূৰ্ব্বে তাৰ অধিৱেশনৰ পূৰ্ব্বে বা পূৰ্ব্বোক্ত ক্ৰমাগত অধিৱেশনত উভয় সদনে সেই নিয়ম বা অধিসূচনাৰ যিকোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা অধিসূচনা প্ৰণয়ন কৰা বা কৰা উচিত ন'হব, নিয়ম বা অধিসূচনা তাৰ পাছত কেৱল মাত্ৰ এনে পৰিবৰ্ত্তিত ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাবহীন হ'ব সেইবাবে, যেয়েই নহওঁক এনে যিকোনো সালসলনি বা ৰদ্‌কৰণে এই নিয়ম বা অধিসূচনাৰ অধীনত পূৰ্ব্বে কৰা কোনো কাৰ্য্যৰ বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হয়।

(৪) এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম বা অধিসূচনা ইয়াক প্ৰণয়ন কৰাৰ পাছত যথাশীঘ্ৰে ৰাজ্যিক বিধান মণ্ডলত উত্থাপিত কৰা হ'ব।

*কেন্দ্ৰীয় চৰকাৰৰ জটিলতা দূৰীকৰণৰ ক্ষমতা।*

[১][৩৯। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, জটিলতা দূৰীকৰণৰ বাবে আৱশ্যকীয় বুলি, ইয়াৰ প্ৰতীত হোৱাত, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসঙ্গত নোহোৱা এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়ম, ২০১২ৰ প্ৰাৰম্ভণৰ পৰা তিনিবছৰৰ অৱসানৰ পিছত এই ধাৰাৰ অধীনত কোনো আদেশ দিয়া ন'হব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব,]

---

১। *শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (সংশোধন) অধিনিয়মৰ ধাৰা ৮ৰ দ্বাৰা অন্তঃস্থাপিত।*

## অনুসূচী
## (ধাৰা ১৯ আৰু ২৫ চাওঁক)
## এখন বিদ্যালয়ৰ নীতি-নিয়ম আৰু মানদণ্ড

| ক্ৰমিক নং | বিষয় | নীতি-নিয়ম আৰু মানদণ্ড |
|---|---|---|
| ১। শিক্ষকৰ সংখ্যা | | |
| (ক) প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীৰ বাবে | নামভৰ্ত্তি কৰা শিশু | শিক্ষকৰ সংখ্যা |
| | ষাঠিলৈকে | দুই |
| | একষষ্ঠিৰ পৰা নব্বৈৰ মাজত | তিনি |
| | একানব্বৈৰ পৰা এশবিশৰ মাজত | চাৰি |
| | এশ একৈশৰ পৰা দুশৰ মাজত | পাঁচ |
| | এশ পঞ্চাশজন শিশুৰ ওপৰত | পাঁচ আৰু এজন প্ৰধান শিক্ষক |
| | দুশৰ অধিক শিশু | ছাত্ৰ-শিক্ষকৰ অনুপাত (প্ৰধান শিক্ষক বাদ দি) চল্লিশৰ অধিক নহ'ব। |

(খ) ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বাবে

(১) প্ৰতি শ্ৰেণীত অতিকমেও এজন শিক্ষক থাকে, যাতে নিম্নলিখিত প্ৰত্যেক বিষয়ত অতিকমেও এজন শিক্ষক থাকে—
- (i) বিজ্ঞান আৰু গণিত ;
- (ii) সমাজ অধ্যয়ন ;
- (iii) ভাষা।

(২) প্ৰত্যেক পয়ত্ৰিশজন শিশুৰ বাবে অতিকমেওঁ এজন শিক্ষক।

(৩) য'ত শিশুৰ নামভৰ্ত্তিকৰণ এশজনৰ অধিক হয়—
- (i) এজন পূৰ্ণকালীন প্ৰধান শিক্ষক ;
- (ii) নিম্নলিখিত বিষয়সমূহৰ বাবে এজন অংশকালীন নিৰ্দ্দেশক থাকিব ;
- (ক) শিল্প শিক্ষা ;
- (খ) স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা ;
- (গ) কৰ্ম শিক্ষা।

নিম্নলিখিত সমূহৰ বাবে সৰ্ব্ব বতৰ ভৱন গঠিত কৰা হ'ব।

২। ভৱন
- (i) প্ৰত্যেক শিক্ষকৰ বাবে অতিকমেওঁ এটা শ্ৰেণী কোঠা আৰু এটা কাৰ্যালয়সহ ভঁৰালঘৰসহ প্ৰধান শিক্ষকৰ কোঠা;
- (ii) বাধা-মুক্ত প্ৰবেশ;
- (iii) ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক প্ৰসাধন;
- (iv) সকলো শিশুলৈ সুৰক্ষিত আৰু পৰ্য্যাপ্ত খোৱাপানীৰ সুবিধা;
- (v) বিদ্যালয়ত এটা পাকঘৰ থাকিব য'ত মধ্যাহ্ন ভোজন ৰন্ধা হয়;
- (vi) খেলপথাৰ;
- (vii) চাৰিসীমাৰ বেৰা বা দেৱালৰ দ্বাৰা বিদ্যালয়ৰ ভৱন সুৰক্ষিতকৰণৰ বাবে ব্যৱস্থা কৰা।

৩। এটা শৈক্ষিক বৰ্ষত কৰ্মদিন/শিক্ষণ সময়ৰ নিম্নতম সংখ্যা ঃ

(i) প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ বাবে দুশ কৰ্ম দিন;

(ii) ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বাবে দুশ বিশ কৰ্মৰ দিন;

(iii) প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ বাবে প্ৰত্যেক শৈক্ষিক বৰ্ষত আঠশ শিক্ষণ ঘণ্টা;

(iv) ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ বাবে প্ৰত্যেক শৈক্ষিক বৰ্ষত এহাজাৰ শিক্ষণ ঘণ্টা।

৪। শিক্ষকৰ বাবে প্ৰতি সপ্তাহত কৰ্মসময়ৰ সৰ্ব্বনিম্ন সংখ্যা ঃ

প্ৰস্তুতকৰণৰ সময় অন্তৰ্ভূক্ত কৰি পঞ্চচল্লিশটা শিক্ষণ,

৫। শিক্ষণ শিকাৰ আহিলাপাতি ঃ

অপেক্ষিত ধৰণে প্ৰত্যেক শ্ৰেণীলৈ উপবন্ধিত কৰা হয়।

৬। পুথিভৰাঁল

প্ৰত্যেক বিদ্যালয়ত গল্প কিতাপক অন্তৰ্ভুক্ত কৰি বাতৰি কাকত, আলোচনী আৰু সকলো বিষয়ৰ ওপৰত কিতাপ থকা এটা পুথিভৰাঁল থাকিব।

৭। খেল-ধেমালীৰ সামগ্ৰী, খেল আৰু ক্ৰীড়া আহিলা-পাতি।

অপেক্ষিত ধৰণে প্ৰত্যেক শ্ৰেণীলৈ উপবন্ধিত কৰা হ'ব।

**THE RIGHT OF CHILDREN TO FREE AND COMPULSORY EDUCATION ACT, 2009**

**(No. 35 of 2009)**

## শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯

## (২০০৯ৰ সংখ্যা ৩৫)

## GLOSSARY OF TERMS

## পৰিভাষা

| Section | English term | Assamese equivalent |
|---|---|---|
| 2 (b) | Capitation fees | জনমুৰি মাচুল |
| 2 (d) | Disadvantaged group | জনমুৰি শ্ৰেণী |
| 2 (c) | Secreening Procedure | প্ৰচ্ছাদন প্ৰক্ৰিয়া |
| 3 (b) (B) Amendment) | Autism | অটিজিম |
| ,, | Cerebral pulsy | চেৰিব্ৰেল পাল্‌চি |
| ,, | Mental Retardation | মানসিক ভাৱে বাধাগ্ৰস্ত |
| ,, | Multiple Disabilities | একাধিক অক্ষমতা |
| 7 (1) | Concurrent responsibility | সমৰৰ্ত্তী দায়িত্ব |
| 9 (k) | Migrant | প্ৰব্ৰজনিত |
| 10 | Ward | প্ৰতিপাল্য |
| 12 (b) | Recurring Aid | পুনৰ আৰৰ্তক সাহাৰ্য্য |
| 17 (2) | Disciplinary Action | অনুশাসনমূলক কাৰ্য্য ব্যৱস্থা |
| 25 (2) | Deplayed | অভিনিযুক্ত |
| 27 | Decennial | দশবাৰ্ষিক |
| 29 (2) (g) | Trauma and anxiety | অভিঘাত উদ্বেগ |

ৰাষ্ট্ৰপতিয়ে শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ অধিনিয়ম, ২০০৯ (২০০৯ৰ অধিনিয়ম সংখ্যা ৩৫)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The right of Children to free and Compulsory Education Act, 2009 (Act No. 35 of 2009) has been authorised by the President to be published in the Official Gazette under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

*ভাৰত চৰকাৰৰ হৈ অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*